NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 7-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগৰ জলপাইগুৰিৰ ঝুমুৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

২। প্ৰধানমন্ত্ৰী গৰাকীয়ে কাইলৈ মহাৰাষ্ট্ৰৰ চন্দ্ৰপুৰ আৰু গৰচিৰলি লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিব।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি দেশৰ যুৱ পেছাদাৰীসকলক ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টাত অংশ ল'বলৈ আহ্বান জনায়।

৪। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ ৫ খনীয়া হকী শৃংখলাৰ দ্বিতীয়খন খেলত অষ্ট্ৰেলীয়াই ভাৰতক ৪-২ গ'লত পৰাস্ত কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি গুজৰাট টাইটানছ্ আৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ মুখামুখি হ'ব।

oooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগৰ জলপাইগুৰিৰ ঝুমুৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰ উত্তৰ বংগৰ উন্নয়নৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছে বিভিন্ন কল্যাণমূলক আঁচনি ৰূপায়ণ কৰাৰ পৰা বিৰত থাকি ৰাজ্যখনৰ জনসাধাৰণক বঞ্চিত কৰিছে বুলি তেওঁ অভিযোগ তোলে। শ্ৰী মোদীয়ে আই এন ডি আই মিত্ৰজোঁটৰ দেশক নেতৃত্ব দিয়াৰ কোনো পৰিকল্পনা নাই বুলিও সমালোচনা কৰে। তেওঁ কয় যে, উত্তৰ বংগলৈ অধিক পৰ্যটক তথা বিনিয়োগ আকৰ্ষণ কৰাৰ উদ্দেশ্যে জি-২০ সন্মিলনৰ আয়োজন কৰা হৈছিল। বিজেপি ক্ষমতালৈ আহিলে ৰাজ্যখনলৈ অধিক বিনিয়োগ আকৰ্ষিত হ'ব বুলি তেওঁ জনসাধাৰণক প্ৰতিশ্ৰুতি দিয়ে। জলপাইগুৰিৰ বাৰ্নিচত যোৱা দেওবাৰে ঘূৰ্ণিবতাহত প্ৰাণ হেৰুওৱা লোকসকলৰ বাবে তেওঁ শোক প্ৰকাশ কৰে।

ইপিনে, তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে ৰাজ্যখনৰ জনসাধাৰণৰ কল্যাণৰ বাবে তেওঁৰ দল প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। পশ্চিম বংগৰ পুৰুলিয়াৰ হুদাৰ ল'ধুৰকাত তেওঁ এই কথা প্ৰকাশ কৰে। নেত্ৰীগৰাকীয়ে এখন জনসভাত পুৰুলিয়াৰ টি এম চিৰ প্ৰাৰ্থী শান্তিৰাম মাহতোৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নেত্ৰীগৰাকীয়ে বিজেপি দল তথা নাগৰিকত্ব সংশোধনী আইনক সমালোচনা কৰে। বেনাৰ্জীয়ে বিজেপিক প্ৰত্যাখ্যান কৰি তৃণমূল কংগ্ৰেছক ভোট দিবলৈ জনসাধাৰণলৈ আহ্বান জনায়।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্ট্ৰৰ চন্দ্ৰপুৰ আৰু গৰচিৰলি লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কাইলৈ চন্দ্ৰপুৰ ভ্ৰমণ কৰিব। মৰৰা বিমনবন্দৰ গ্ৰাউণ্ডত আয়োজিত হ'বলগীয়া জনসভাত ৰাজ্যখনৰ কেবাগৰাকীও জ্যেষ্ঠ বিজেপি নেতা তথা মহাৰাষ্ট্ৰৰ মহাযুঁটি মিত্ৰজোঁটৰ নেতাই অংশগ্ৰহণ কৰিব। ৰাজ্যখনৰ বনমন্ত্ৰী সুধীৰ মুংগাণ্টিৱাৰে চন্দ্ৰপুৰ লোকসভা আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে গৰচিৰলিৰ বৰ্তমানৰ সাংসদ অশোক নেতেয়ে গৰচিৰোলি লোকসভা আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰামটেক লোকসভা সমষ্টিৰ কানহান অঞ্চলত অহা ১০ এপ্ৰিলত মহাযুঁটি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰাজু পাৰৱেৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ ল'ব। উল্লেখযোগ্য যে, ৰাজু পাৰৱেই গ্ৰাম্য নগপুৰৰ পৰা ৰামটেক লোকসভা আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। পূব বিদৰ্ভৰ নাগপুৰ, ৰামটেক, হান্দ্ৰাপুৰ, গৰচিৰলি চিমুৰ আৰু ভান্দাৰা গন্দিয়াকে ধৰি ৫ টা সমষ্টিত অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০০

বিজেপিৰ সভাপতি জে পি নাড্ডাই তামিল ভাষাক অতি প্ৰাচীন ভাষা বুলি উল্লেখ কৰি কয় যে, এন ডি এ চৰকাৰে তামিল ভাষাক সদায় সুৰক্ষা দি আহিছে। তামিলনাডুৰ ছিদাম্বৰমত বিজেপি প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰি তেওঁ কয় যে, কংগ্ৰেছ আৰু ডি এম কে মিত্ৰজোঁটে তামিলনাডুৰ সাংস্কৃতিক ঐতিহ্য দুৰ্বল কৰি ৰাজ্যখনৰ জনসাধাৰণক প্ৰতাৰণা কৰি আহিছে। তেওঁ লগতে কয় যে, প্ৰাধীনমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন এন ডি এ চৰকাৰৰ নীতি সমূহৰ বাবে কোভিড-১৯ মহামাৰীৰ পাছতো ভাৰতৰ অৰ্থনীতিয়ে বিশ্বৰ পঞ্চম স্থান দখল কৰিবলৈ সক্ষম হৈছে। নিৰ্মাণ খণ্ডত ভাৰতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰি শ্ৰী নাড্ডাই কয় যে, বিজেপিয়ে বিগত ১০ বছৰৰ সাফল্যসমূহৰ প্ৰচাৰ চলোৱা উচিত। জনসাধাৰণে কংগ্ৰেছ আৰু ডি এম কে মিত্ৰজোঁটক প্ৰত্যাখ্যান কৰিছে বুলি তেওঁ সমালোচনা কৰে। বিভিন্ন সাফল্যৰ বিষয়ে উল্লেখ কৰি সভাপতিগৰাকীয়ে কয় যে, কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ উন্নয়নৰ বাবে কেইবাকোটি বিত্তীয় সাহাৰ্য আগবঢ়োৱাৰ বিপৰীতে ৰাজ্য চৰকাৰখনে এই কাম-কাজসমূহ নিজে কৰা বুলি মিছা প্ৰচাৰ চলাই আহিছে।

০০০০০০০০

আম আদমী পাৰ্টীয়ে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰিবলৈ সামুহিক অনশন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আটিছি, সঞ্জয় সিং তথা গোপাল ৰায়কে ধৰি দলটোৰ নেতাসকলে আজি পুৱা নতুন দিল্লীৰ জন্তৰ-মন্তৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। দলীয় কৰ্মকৰ্তাসকলক সম্বোধন কৰি সঞ্জয় সিঙে কয় যে, ঘটনাটোৰ প্ৰত্যক্ষদৰ্শীৰ সাক্ষী তথা সকলো প্ৰমাণৰ ক্ষেত্ৰত জালিয়াতি কৰা হৈছে। কেন্দ্ৰই চৰকাৰী সংস্থাসমূহৰ অপব্যৱহাৰ কৰা বুলি তেওঁ অভিযোগ তোলে। ইতিমধ্যে অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে চৰকাৰী পুঁজিৰ অপব্যৱহাৰ তথা সুৰা কেলেংকাৰীৰ অভিযোগ উত্থাপিত হোৱা সন্দৰ্ভত নতুন দিল্লীৰ পালিকা মাৰ্কেট অঞ্চলত ভাৰতীয় জনতাপাৰ্টীয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। দলটোৰ নেতা বনসুৰী স্বৰাজে আপৰ নেতৃত্বৰ দিল্লী চৰকাৰ দুৰ্নীতিগ্ৰস্ত হৈ পৰা বুলি অভিযোগ তোলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে **নল সে জল** আঁচনিৰ অধীনত পানীৰ সুবিধা আগবঢ়োৱাৰ বিপৰীতে অৰবিন্দ কেজৰিৱালে জল পৰিষদৰ দুৰ্নীতিত লিপ্ত হোৱা বুলি তেওঁ অভিযোগ তোলে।

০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি দেশৰ যুৱ পেছাদাৰীসকলক ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টাত অংশ ল'বলৈ আহ্বান জনায়। বিহাৰৰ বোধগয়াৰ আই আই এমৰ ষষ্ঠ দীক্ষান্ত সমাৰোহ অনুষ্ঠানত ভাষণ দি তেওঁ এইদৰে কয়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে, আজিৰ যুৱ মন আৰু শিক্ষাৰ্থীসকল ভাৰতৰ ভৱিষ্যতৰ যুগদ্ৰষ্টা। যুৱ শিক্ষাৰ্থীসকলক তেওঁলোকৰ প্ৰতিভা আৰু দক্ষতা ব্যৱহাৰ কৰি ভাৰতৰ বিকাশৰ কাহিনীৰ নতুন অধ্যায় ৰচনা কৰিবলৈ তেওঁ আহ্বান জনায়।

ইয়াৰ পূৰ্বে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সমাৱৰ্তন অনুষ্ঠানত এম বি এৰ শিক্ষাৰ্থীসকলক ডিগ্ৰী প্ৰদান কৰে। সেই অনুষ্ঠানতে বিহাৰৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰলেকাৰ, আই আই এম বোধগয়াৰ অধ্যক্ষ উদয় কোটাক আৰু সঞ্চালক বিনীতা শ্বাহায়ো উপস্থিত থাকে।

উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে পত্নীসহ বোধগয়াৰ বিখ্যাত মহাবোধি মন্দিৰ দৰ্শন কৰাৰ লগতে পূজা-অৰ্চনাও কৰে।

০০০০০০০০

মণিপুৰত দুখন আসনৰ বাবে লোকসভা নিৰ্বাচন দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ইয়াৰে মণিপুৰ ইনাৰ সংসদীয় সমষ্টিৰ আসনৰ বাবে হ'বলগীয়া নিৰ্বাচন অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'ব। সমষ্টিত মুঠ ভোটদাতাৰ সংখ্যা ৯ লাখ ৭৯ হাজাৰ ৮৮৭ জন আৰু ইয়াৰে মহিলা ভোটদাতাৰ সংখ্যা ৫ লাখ ১৬ হাজাৰ ১৫০ গৰাকী । তিনিগৰাকী নিৰ্দলীয় প্ৰাৰ্থীকৈ ধৰি ৬ গৰাকী প্ৰাৰ্থীয়ে হৈ আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০০০

নতুন দিল্লীত কাইলৈ তিনিওটা সেৱাৰ পৰিৱৰ্তন চিন্তন শীৰ্ষক বিশেষ সন্মিলন অনুষ্ঠিত হ'ব। নতুন তথা অভিনৱ ধাৰণাৰ সৃষ্টি কৰাৰ লগতে সংহত প্ৰচেষ্টাৰ হকে সংস্কাৰ সাধনৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হৈছে। দিনজোৰা কাৰ্যসূচীৰে আয়োজিত হ'বলগীয়া এই আলোচনাত চীফ অব্ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে অধ্যক্ষতা কৰিব।

০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ ৫ খনীয়া হকী শৃংখলাৰ অষ্ট্ৰেলিয়াৰ পাৰ্থত আজি অনুষ্ঠিত দ্বিতীয়খন খেলত অষ্ট্ৰেলীয়াই ভাৰতক ৪-২ গ'লত পৰাস্ত কৰে। খেলখনত ভাৰতৰ হৈ যোগৰাজ সিং আৰু হৰমণপ্ৰীত সিঙে পেনাল্টিৰ জৰিয়তে দুটা গ'ল দিয়ে। অষ্ট্ৰেলিয়াৰ হৈ জেৰিমি হেৱাৰ্ড, এণ্ডাৰচন জেক'ব আৰু নাথান এফ্ৰমছে গ'ল দিয়ে।

উল্লেখ্য যে শৃংখলাৰ তৃতীয়খন খেল বুধবাৰে পাৰ্থত অনুষ্ঠিত হ'ব।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত চলি থকা এখন খেলত মুম্বাই ইণ্ডিয়ানছে দেলহি কেপিটেলছক জয়ৰ বাবে ২৩৫ ৰানৰ লক্ষ্য বান্ধি দিছে। প্ৰথমে বেট ধৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২৩৪ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ৰোহিত শৰ্মাই ২৭টা বলত ৪৯ ৰান কৰাৰ বিপৰীতে টীম ডেভিডে ২১টা বলত ৪৫ ৰান সংগ্ৰহ কৰি অপৰাজিত হৈ থাকে। বাতৰি লিখা পৰলৈকে ডেলহি কেপিটেলছে ১৮ অভাৰত ৪টা উইকেট হেৰুৱাই ১৮০ ৰান সংগ্ৰহ কৰিছে।

ডেলহি কেপিটেলছৰ হৈ অক্ষৰ পেটেল আৰু এন্ড্ৰিক নৰ্জে দুটাকৈ উইকেট দখল কৰে। প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত আজি গুজৰাট টাইটানছ আৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত লক্ষ্ণৌত অনুষ্ঠিত হ'ব।

oooooooo

আকাশবাণীৰ দ্বিভাষিক অনুষ্ঠান প্লাবিক স্পীকত কাইলৈ নিশা চাৰে ৯ বজাত **Pension Options available for General public** অৰ্থাৎ অসামৰিক লোকৰ বাবে উপলব্ধ পেন্সন বিকল্পসমূহ সন্দৰ্ভত বিত্ত বিশেষজ্ঞ বলৱন্ত জৈন আৰু সাৰদ ক'হলিৰ সৈতে এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাটি চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই **০১১-২৩৪২১০৫০** আৰু **০১১-২৩৩১৪৪৪৪** নম্বৰলৈ ফোন কৰি জনসাধাৰণৰ বাবে উপলব্ধ হৈ থকা পেন্সনৰ বিভিন্ন বিকল্প তথা এইসমূহ ব্যৱহাৰ কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। ইয়াৰ উপৰি শ্ৰোতাসকলে **৯২৮৯০-৯৪০৪৪** নম্বৰত হোৱাটছআপৰ জৰিয়তেও প্ৰশ্ন কৰিব পাৰিব। অনুষ্ঠানটি আকাশবাণীৰ গ'ল্ড আৰু অতিৰিক্ত ফ্ৰিকুৱেঞ্চিসমূহত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ইয়াৰ উপৰি আকাশবাণীৰ ৱেবচাইট newsonair.gov.in আৰু আমাৰ ইউটিউব চেনেল News ON AIR OFFICIALটো এই অনুষ্ঠান উপলব্ধ হ'ব।

oooooooo

সমাপ্ত